**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 03-07**-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
---------------------------

কামৰূপ জিলাৰ অন্তৰ্গত বকোৰ হাহিম অঞ্চলত অসম আৰু মেঘালয়ৰ জৰীপ দল, প্ৰশাসনিক বিষয়া আৰু কৰ্মচাৰীসকলে দুয়োখন ৰাজ্যৰ সীমাৰ স্তম্ভ স্থাপনৰ কাম আৰম্ভ কৰিছে। হাহিমৰ ৰংথালি গাঁৱৰ পৰা গিজাং নৈৰ পাৰে পাৰে স্তম্ভ স্থাপনৰ কাম আৰম্ভ হৈছে। ৰাজ্য দুখনৰ মাজত দীৰ্ঘদিন ধৰি থকা সীমা বিবাদৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ নেতৃত্বত বিবদমান এলেকাসমূহ চিহ্নিত কৰা হৈছিল। দুয়োখন ৰাজ্যৰ মন্ত্ৰী-বিষয়াৰ নেতৃত্বত বহু আলোচনাৰ মাজেৰে ১২ টা এলেকা চিহ্নিত কৰা হৈছিল। ইয়াৰে প্ৰথম পৰ্যায়ত ২০২২ চনৰ ২৯ মাৰ্চ পৰ্যন্ত হাহিম, গিজাং, তাৰাবাৰী, বক্লাপাৰা, খানাপাৰা-পিলিংকাটা আৰু বাটাছেৰা এলেকাৰ সীমা বিবাদ নিষ্পত্তি কৰা হয়। পৰৱৰ্তী সময়ত যোৱা ২ জুনত দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে আলোচনাত মিলিত হৈ ১৫ আগষ্টৰ পূৰ্বে এই সীমা বিবাদ নিষ্পত্তি হোৱা এলেকাসমূহত সীমা স্তম্ভ স্থাপনৰ সিদ্ধান্ত লয়।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে বড়োলেণ্ড স্বায়ত্তশাসিত অঞ্চল ভ্ৰমণ কৰিব। মুখ্যমন্ত্ৰীয়ে আজি ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত হ'বলগীয়া ভাৰতীয় জনতা পাৰ্টিৰ এখন কৰ্মকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰিব। সমাগত বিটিচি পৰিষদীয় নিৰ্বাচনক কেন্দ্ৰ কৰি বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদীয় এলেকাত বিজেপিৰ সাংগঠনিক ভেঁটি সুদৃঢ় কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীয়ে এই সন্মিলনত ভাগ ল'ব। ইয়াৰ পাছত  তেওঁ জিলাখনৰ সদৰ ওদালগুৰিৰ উপৰি ডিমাকুছিত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোক আৰু দল-সংগঠনৰ সৈতে মত বিনিময় কৰিব।

মুখ্যমন্ত্ৰীয়ে কাইলৈ তামুলপুৰ, ৫ জুলাইত বাক্সা, ৬ জুলাইত চিৰাং আৰু ৭ জুলাইত কোকৰাঝাৰ ভ্ৰমণ কৰিব। ৫ জুলাইত বাক্সাৰ জালাহত ৰাইজৰ সৈতে চৰকাৰী আঁচনি আৰু ৫টা মণ্ডলৰ কৰ্মকৰ্তাৰ সৈতে বিটিচি নিৰ্বাচন সম্পৰ্কত তেওঁ মত বিনিময় কৰিব। বাক্সা জিলা প্ৰশাসনে এই কাৰ্যসূচী সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰৰ জি এছ্ টি বিভাগে কালি মাজনিশাৰে পৰা ধুবুৰীৰ একাংশ ব্যৱসায়িক প্ৰতিষ্ঠানত কৰ ফাঁকিৰ বিৰুদ্ধে অভিযান চলায়। চহৰখনৰ এনে একাংশ প্ৰতিষ্ঠানে সামগ্ৰী আৰু সেৱা কৰ ফাঁকি দি ব্যৱসায় চলাই অহা বুলি অভিযোগ উত্থাপিত হোৱাৰ পৰিপ্ৰেক্ষিতত এই অভিযান চলোৱা হয়। আকাশবাণীৰ ধুবুৰীৰ সংবাদদাতাই জানিবলৈ দিয়া মতে এনে অভিযানৰ অংশ হিচাপে ধুবুৰীৰ নিউ ঘাটত থকা এটা ডেম্পত অভিযান চলাই বিভাগীয় দলটোৱে ভালেমান নথি-পত্ৰ জব্দ কৰে। ডেম্পটোৰ গৰাকীজনৰ বিৰুদ্ধে জি এছ্ টি ফাঁকিৰে ব্যৱসায় কৰাৰ অভিযোগ উত্থাপিত হৈছে।

০০০০০০০

চাৰি বছৰীয়া সংহত শিক্ষক শিক্ষা পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদে অনুমোদন জনোৱা ২৫ খন মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ সৈতে কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এখন ভাৰ্চুৱেল বৈঠকৰ জৰিয়তে মত বিনিময় কৰে। ডাঃ পেগুৱে এই পাঠ্যক্ৰমৰ কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বান সন্দৰ্ভত অধ্যক্ষসকলৰ সৈতে আলোচনা কৰি কয়, যে ৰাজ্য চৰকাৰে তেওঁলোকক এইক্ষেত্ৰত সকলোধৰণৰ সমৰ্থন আগবঢ়াব। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় সাধাৰণ প্ৰৱেশ পৰীক্ষাৰ জৰিয়তে নিৰ্বাচিত দুহেজাৰ ১৫০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ অধীনত এই পাঠ্যক্ৰমত শিক্ষা গ্ৰহণ কৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি অহা ৫ জুলাই, শনিবাৰে নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত বি বি চিৰ নতুন দিল্লীস্থিত সম্পাদনা মেজৰ সাংবাদিক শচীন গগৈৰ সৈতে এটা মুকলি বাৰ্তালাপ প্ৰচাৰ কৰিব। শ্ৰী গগৈৰ সৈতে এই অন্তৰংগ বাৰ্তালাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি বনাঞ্চলৰ পৰা অবৈধভাৱে কাঠ সৰবৰাহ কৰা দুখন বাহন কালি বন বিভাগে জব্দ কৰে। বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ নিৰ্মাণৰ অছিলা লৈ একাংশ লোকে অবৈধভাৱে এই কাঠখিনি সৰবৰাহৰ চেষ্টা কৰিছিল। বন বিভাগে লংকা অভিমুখে গৈ থকা অৱস্থাত কাঠ ভৰ্তি বাহন দুখন জব্দ কৰিবলৈ সমৰ্থ হয়।

০০০০০

**সমাপ্ত**